


समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

# সপ্তম শ্রেণীৰ পাঠ্যপুথি

## সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

## ভূগোল

### পাঠ – ২

## পৃথিৱীৰ অভ্যন্তৰ ভাগ

অংশ – ৫ ( প্রশ্ন- উত্তৰ)

জ্যোতি দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

## ৪। উত্তৰ লিখা —

(১০০টা মান শব্দৰ ভিতৰত)

(ক) পৃথিৰীৰ পৃষ্ঠৰপৰা অভ্যন্তৰ ভাগলৈ প্ৰধান স্তৰ কেইটা আৰু কি কি? চিত্ৰ আঁকি বুজাই লিখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

**উত্তৰঃ-** পৃথিৱীৰ পৃষ্ঠৰপৰা অভ্যন্তৰ ভাগলৈ প্ৰধানকৈ তিনিটা স্তৰত ভাগ কৰা হৈছে- ভূত্বক গুৰুমণ্ডল আৰু কেন্দ্ৰমণ্ডল।

**(ক) ভূত্বক (Crust):** পৃথিৱীৰ উপৰিভাগৰ কঠিন আৱৰণটোক ভূত্বক বুলি কোৱা হয়। ই গড়ে প্ৰায় ২০ কিল'মিটাৰ ডাঠ। ভূত্বক স্তৰটো সাধাৰণতে গ্ৰেণাইট জাতীয় শিলেৰে গঠিত।

**(খ) গুৰুমণ্ডল (Mantle):** ভূত্বকৰ ঠিক তলৰ দ্বিতীয় স্তৰটো হ'ল গুৰুমণ্ডল।

এই স্তৰটো প্ৰায় ২,৯০০ কিল'মিটাৰ ডাঠ। ভূত্বকতকৈ এই স্তৰৰ পদাৰ্থবোৰৰ ঘনত্ব বেছি। গুৰুমণ্ডলক উৰ্ধ গুৰুমণ্ডল আৰু নিম্ন গুৰুমণ্ডলত ভাগ কৰা হৈছে ।

**(গ) কেন্দ্ৰমণ্ডল (Cort):** গুৰুমণ্ডলৰ ঠিক তলতে কেন্দ্ৰক আৱৰি থকা স্তৰটোৱেই হ'ল কেন্দ্ৰমণ্ডল। এক কথাত ইয়েই পৃথিৱীৰ গৰ্ভ। এই স্তৰটো প্ৰায় ৩,৪৮৬ কিল'মিটাৰ ডাঠ। ইয়াৰ পদাৰ্থবিলাক অতি উত্তপ্ত অৱস্থাত আছে।

কেন্দ্রমণ্ডলক বহিঃকেন্দ্র মণ্ডল আৰু অন্ত কেন্দ্র মণ্ডলত ভাগ কৰা হৈছে ।



(খ) শিল কেইপ্রকাৰৰ আৰু কি কি বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

**উত্তৰঃ-** শিলবোৰ সাধাৰণতে ভিন ভিন ধৰণে উৎপত্তি হয়। উৎপত্তি অনুযায়ী শিলক তিনি প্ৰকাৰে ভাগ কৰিব পাৰি।

**এই তিনি প্ৰকাৰৰ শিল হ'ল–**

(ক) আগ্নেয় শিল।

(খ) গেদীয় শিল।


(গ) ৰূপান্তৰিত শিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

**(ক) আগ্নেয় শিল:** পৃথিৱীৰ অন্তর্ভাগত থকা গলিত, উত্তপ্ত পদার্থসমূহক মেগ্‌মা বোলা হয়। এনে মেগ্‌মা ভূপৃষ্ঠলৈ ওলাই আহিব নোৱাৰি কালক্রমত তাপ বিকিৰণ কৰি শীতল হৈ শিলত পৰিণত হয়। এনে ধৰণে গঠন হোৱা শিলক অন্তর্ভেদী আগ্নেয়শিল বোলা হয়। পৃথিৱীত আগ্নেয়শিলৰ প্রথমতেই সৃষ্টি হৈছিল বাবে এই শিলক প্রাথমিক শিল বুলিও জনা যায়।

**(খ) গেদীয় শিল:** পৃথীৱীৰ উপৰিভাগত থকা আগ্নেয়শিলবোৰ কালক্ৰমত শীত, তাপ, বতাহ, বৰষুণ আদিৰ ভৌতিক, ৰাসায়নিক আৰু উদ্ভিদৰ জৈৱিক ক্ৰিয়াৰ ফলত দুৰ্বল হৈ ভাঙিবলৈ আৰম্ভ কৰে। লাহে লাহে এই ভগা অংশবিলাক বতাহ, নৈ, জান-জুৰি, হিমবাহ আদিয়ে কঢ়িয়াই নি সাগৰ, হ্ৰদ বা আন নিম্ন অংশত তৰপে তৰপে জমা কৰে। এইদৰে যেতিয়া গেদবোৰ বছৰ বছৰ ধৰি জমা হয়, তেতিয়া এহাতে ওপৰৰ গেদৰ



প্রচণ্ড চাপ, তাপ আৰু পানীত মিহলি হৈ থকা লো, চুণ আদিৰ ক্রিয়াৰ ফলত গেদবোৰ কঠিন হ'বলৈ ধৰে। এইদৰে কঠিন হৈ যি শিলৰ সৃষ্টি হয় তাক গেদীয় শিল বোলে।

**(গ) ৰূপান্তৰিত শিল:** আগ্নেয় আৰু গেদীয় শিল যদি বহুদিন ধৰি অধিক চাপ আৰু তাপৰ প্রভাৱত থাকে তেন্তে তাৰ ভৌতিক আৰু ৰাসায়নিক পৰিৱৰ্তন হৈ এক নতুন শিলৰ সৃষ্টি হয়। এনে শিলক ৰূপান্তৰিত শিল বোলে।

(গ) শিল আৰু মাটিৰ মাজত পার্থক্য বিচাৰ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

**উত্তৰঃ-** পৃথিৱীৰ খোলাটোৰ এক প্ৰধান উপাদান হ'ল শিল। শিলেৰে গঠিত বাবে এই স্তৰটোক শিলামণ্ডল বোলা হয়। সাধাৰণতে আমি বসবাস কৰা পৃথিৱীৰ উপৰিভাগৰ গোটা আৰু আপেক্ষিকভাৱে টান পদাৰ্থবোৰকে শিল বোলা হয়। শিলসমূহ ভিন ভিন মণিকেৰে গঠিত। কিছুমান শিলত মণিক কেইবাবিধো থাকে আৰু আন কিছুমান শিলত এবিধ বা দুবিধমানহে মণিক থাকে।

শিলত থকা মণিকৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি শিলৰ আকাৰ- আকৃতি, ৰং, কঠিনতা আদিৰ তাৰতম্য হয়। শিলত থকা ৰাসায়নিক পদাৰ্থবোৰৰ ভিতৰত – অম্লজান, ছিলিকন, এলুমিনিয়াম, লো, কেলছিয়াম, ছ'ডিয়াম, পটাছিয়াম, কাৰ্বন, ছালফাৰ আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। ইয়াৰ উপৰি শিলত কিছু পৰিমাণে তাম, সীহ, দস্তা আদি ধাতুও পোৱা যায়।

আনহাতে, ভূত্বকৰ আন এবিধ উপাদান হ'ল মাটি। পৃথিৱীৰ খোলাটোৰ একেবাৰে ওপৰৰ কোমল তৰপটো য'ত আমি ঘৰ- দুৱাৰ সাজো, খেতি-বাতি কৰোঁ, যাতায়াতৰ ব্যৱস্থা কৰোঁ, য'ত গছ-গছনিয়ে খামোচ মাৰি ধৰি থাকে সেই অংশক আমি মাটি বুলি কওঁ। সাধাৰণতে শিলৰপৰাই মাটিৰ উৎপত্তি হয়। মাটি গঠনত জলবায়ুৰ প্ৰভাৱ অপৰিহাৰ্য। শিলবিলাক সময়ৰ সোঁতত শীত, তাপ, বতাহ, বৰষুণ আদি প্ৰাকৃতিক কাৰকৰ প্ৰভাৱত

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

জহি-খহি চূর্ণ-বিচূর্ণ হয়। এনে অংশসমূহ আকৌ বতাহ, নদী, হিমবাহ আদিয়ে কঢ়িয়াই নি বিভিন্ন ঠাইত জমা কৰে। এইদৰে মাটিৰ সৃষ্টি হয়। শিলৰপৰাই মাটিৰ সৃষ্টি হয় বাবে শিলত থকা মণিকবিলাক মাটিতো পোৱা যায়।